ধাতুৰ ৱিটেইনাৰ (3) ইনষ্টল কৰাৰ সময়ত ৱিটেইনাৰৰ দিশ ওপৰৰ ছবিত দেখুওৱাৰ দৰে হ'ব লাগে।

5) আঁতৰোৱাৰ ওলোটা ক্ৰমত নতুন ব্লেডখন ইনষ্টল কৰক আৰু লক কৰা দিশটো ৰাইপাৰ আৰ্মৰ ফালে ৰাখক।
ব্লেডখন সকলো হুকেৰে সঠিকস্থানত ধৰি ৰখাটো সুনিশ্চিত কৰক আৰু ব্লেডৰ মূৰ দুটা সঠিক ঠাইত লক কৰক।
6) ৰাইপাৰ ফ্ৰেমটো আৰ্মত পুনৰ ইনষ্টল কৰোঁতে লক লিভাৰটো আৰ্মত সুৰক্ষিতভাৱে সোমাই থকাটো সুনিশ্চিত কৰক।

উইণ্ডশ্বিল্ড ৱাশ্বাৰ ফ্লুইড (থাকিলে)



77PM07027

টেংকত ৱাশ্বাৰ ফ্লুইড আছে নে নাই মন কৰক। প্ৰয়োজন হ'লে পুনৰ ভৰাওক। য়োজন অনুসৰি পানীৰে পাতল কৰি ভাল মানৰ উইণ্ডশ্বিল্ড ৱাশ্বাৰ ফ্লুইড ব্যৱহাৰ কৰক।

জাননী
বাহনত লাইম স্কেল সৃষ্টি হোৱা ৰোধ কৰিবলৈ বেছি মিনাৰেলযুক্ত পানী ব্যৱহাৰৰ পৰা দূৰত থাকিব।


⚠ সতৰ্কবাণী
• **উইণ্ডশ্বিল্ড ৱাছাৰ ৰিজাৰ্ভাৰত ৰেডিয়েটৰ এণ্টিফ্ৰীজ ব্যৱহাৰ নকৰিব। উইণ্ডশ্বিল্ডত স্প্ৰে কৰিলে ই দৃশ্যমানতা গুৰুতৰভাৱে ক্ষতিগ্ৰস্ত কৰিব পাৰে, আৰু লগতে আপোনাৰ বাহনৰ ৰং ক্ষতিগ্ৰস্ত কৰিব পাৰে।**
• **ইঞ্জিনটো গৰম হৈ থাকোঁতে বা চলি থাকোঁতে ৱাছাৰ তৰল যোগ নিদিব কিয়নো ৱাছাৰ তৰলত এলকহল থাকে আৰু ইঞ্জিন ইত্যাদিত বিয়পি পৰিলে জুই লাগিব পাৰে।**

জাননী
ৱাশ্বাৰৰ টেংকত একো নোহোৱাকৈ ৱাশ্বাৰ মটৰটো চলালে ক্ষতি হ'ব পাৰে।

জৰুৰীকালীন সেৱা

টায়াৰ চেঞ্জিং টুল 8-1
জেকিং ইনষ্ট্রুমেণ্টচ 8-2
চেঞ্জিং হুইল 8-5
জাম্প ষ্টাৰ্টিং ইনষ্ট্রাকশ্যনচ বা নির্দেশনা..... 8-6
টাৱিং বা টানি নিয়া 8-7
বেটাৰি চার্জ শেষ হৈ গৈছে 8-7
যদি ষ্টাৰ্টাৰে কাম নকৰে 8-7
যদি ষ্টাৰ্টাৰ আৰম্ভ নহয় 8-8
যদি ইঞ্জিনটো বানপানীত ডুব গৈছে 8-8
যদি ইঞ্জিনটো অতিমাত্রা গৰম হয়..... 8-8
হিটিঙৰ পৰা আওাৰবডি ট্রাবল 8-9
ৱার্ণিং ট্রায়েংগল 8-9
ফায়াৰ এক্সটিংগুইচাৰ বা জুঁই নুমোৱা যতন (যদি থাকে)..... 8-10

টায়াৰ চেঞ্জিং টুল




77PH202

(1) জেক
(2) হুইল ব্রেচ
(3) জেক হেণ্ডল
(4) স্পেনাৰ

টায়াৰ সলনি কৰা সঁজুলিবোৰ ড্রাইভাৰৰ আসনৰ পিছফালে থাকে।
জেকটো আঁতৰাবলৈ, ইয়াক ঘড়ীৰ কাঁটাৰ বিপৰীত দিশত ঘূৰাই জেকটো ষ্টৱেজ ব্রেকেটৰ পৰা উলিয়াই আনিব।জেকটো আকৌ আগৰ ঠাইত ৰাখিবলৈ ইয়াক ষ্ট'ৱেজ ব্রেকেটত ৰাখক আৰু সঠিক অৱস্থান নোপোৱালৈকে ঘড়ীৰ কাঁটাৰ দিশত ঘূৰাওক।

অতিৰিক্ত টায়াৰটো বেডৰ তলত খোৱা হয়।
অতিৰিক্ত টায়াৰটো আঁতৰাবলৈ:



77PH099

1) অতিৰিক্ত টায়াৰ ধৰি ৰখাৰ হুক নাট (1)টো ঢিলা কৰক।
2) স্পেয়াৰ টায়াৰ হোল্ডাৰটো খুলি লাহে লাহে নমাওক।
3) অতিৰিক্ত টায়াৰটোৰৰ মাজত থকা স্ক্রুটো খুলি, টায়াৰটো আঁতৰাই দিয়ক।

⚠ সতৰ্কবাণী


টায়াৰ সলনি কৰা সঁজুলিবোৰ ব্যৱহাৰ কৰাৰ পাছত সঠিক ঠাইত সুৰক্ষিতভাৱে থোৱা উচিত, নহ'লে কোনো দুৰ্ঘটনা হ'লে আঘাত পাব পাৰে।

⚠ সাৱধান

জেকটো কেৱল চকা সলনি কৰিবলৈহে ব্যৱহাৰ কৰিব লাগে। জেক ব্যৱহাৰ কৰিবলৈ চেষ্টা কৰাৰ আগতে এই বিভাগত থকা জেকিং নিৰ্দেশনাসমূহ পঢ়াটো জৰুৰী।

জেকিং ইনষ্ট্রুমেণ্টচ

উদাহৰণ




77PH054

1) গাড়ীখন সমান আৰু টান মাটিত ৰাখক
2) পার্কিং ব্রেক ভালকৈ লগাই, “R” (ৰিভার্ছ) ত ৰাখক

⚠ সতৰ্কবাণী


- **গাড়ীখন জেক আপ কৰাৰ সময়ত “R” (ৰিভার্ছ) ত ৰখাটো সুনিশ্চিত কৰক**
- **ট্রেন্সমিছন “N” (নিউট্রেল) ত থকা অৱস্থাত গাড়ীখন কেতিয়াও জেক আপ নকৰিব. অন্যথা অস্থিৰ জেকৰ ফলত দুৰ্ঘটনা হ’ব পাৰে**

3) আপোনাৰ গাড়ীখন ট্রেফিকত থাকিলে হেজার্ড ৰার্ণিং ফ্লেচাৰ জ্বলাই ৰাখক.
4) চকাটোৰ সন্মুখৰ আৰু পিছৰ অংশদুটা উঠাই থোৱা চকাটোৰ বিপৰীতে ব্লক কৰক
5) জেক পিছলি গ’লে ছবিত দেখুওৱাৰ দৰে তুলি লোৱা চকাটোৰ ওচৰত অতিৰিক্ত চকাটো ৰাখক।




77PH802

উদাহৰণ




54G253

ফ্ৰণ্ট জেকিং পইণ্ট




77PH084

ৰিয়েৰ জেকিং পইণ্ট



77PH106



77PS052

6) জেকটো থিয়কৈ ৰাখি জেক হেডৰ খাঁজটো গাড়ীখনৰ তলৰ জেকিং বাৰৰ চাৰিওফালে ফিট নোহোৱালৈকে, জেকৰ হেণ্ডেলটো ঘড়ীৰ কাঁটাৰ দিশত ঘূৰাই জেকটো ওপৰলৈ তোলক । ছবি চাও
7) টায়াৰটো মাটিৰ পৰা ওপৰলৈ নুঠালৈকে, জেকটো লাহে লাহে আৰু মসৃণভাৱে ওপৰলৈ তুলি থাকিব। গাড়ীখন প্ৰয়োজনতকৈ বেছি ওপৰলৈ তুলিব নালাগে


⚠ সতৰ্কবাণী

- **কেৱল সমতল, কঠিন মাটিত চকা সলনি কৰিবলৈ জেক ব্যৱহাৰ কৰিব।**
- **হেলনীয়া পৃষ্ঠত কেতিয়াও গাড়ীখন জেক দি নাডাঙিব।**
- **সলনি কৰিবলগীয়া চকাৰ ওচৰৰ নির্দিষ্ট জেকিং পইণ্ট (চিত্ৰত দেখুওৱা অনুসৰি)ৰ বাহিৰে আন ঠাইত জেকৰ সৈতে গাড়ীখন কোনো কাৰণতে উঠাব নালাগে।**
- **কাঠৰ ব্লক বা একেধৰণৰ বস্তু জেকৰ সলনি ব্যৱহাৰ নকৰিব।**
- **জেক লাগি থকা অৱস্থাত কেতিয়াও গাড়ীৰ তললৈ নামাব। বাহনখন জেক ব্যৱহাৰ কৰি ওপৰলৈ উঠাই ৰাখিলে আপোনাৰ হাত বা ভৰি কেতিয়াও বাহনখনৰ তলত নাৰাখিব।**
- **জেক লাগি থকা অৱস্থাত কেতিয়াও গাড়ীখনৰ ইঞ্জিন চালু কৰিব নালাগে আৰু তেনে অৱস্থাত যাত্ৰীও কোনো কাৰণত গাড়ীখনত থকা উচিত নহয় ।**

গেৰেজ জেকৰ সহায়ত গাড়ীখন ওপৰলৈ উঠোৱা


- তলত দিয়া অনুসৰি এটা পইণ্টত গেৰেজ জেক প্ৰয়োগ কৰক।
- (বাণিজ্যিকভাৱে উপলব্ধ) জেক ষ্টেণ্ডৰ সহায়ত গাড়ীখন উঠোৱাৰ সময়ত তলত দিয়া পইণ্টসমূহত গুৰুত্ব দিয়ক।

গেৰেজ জেকৰ বাবে ফ্ৰণ্ট জেকিং পইণ্ট (1)




77PH060

গেৰেজ জেকৰ বাবে ৰিয়েৰ জেকিং পইণ্ট (2)



77PH101

জেক ষ্টেণ্ড (3) বা টু কলাম লিফ্টৰ বাবে এপ্লিকেশ্যন পইণ্ট



77PS057

জাননী

- **এক্সষ্ট পাইপত কেতিয়াও গেৰেজ জেক প্ৰয়োগ নকৰিব।**
- **জেক ষ্টেণ্ড বা টু কলাম লিফ্টটো ৰিয়েৰ জেকিং পইণ্টত প্ৰয়োগ কৰাৰ সময়ত কাষৰ পাৰ্কিং কেবল বা ফ্লুৱেল টেংকৰ ফ্ৰেঞ্জৰ দৰে অংশবিলাকত বাধাৰ সৃষ্টি নকৰিব ।**

টোকা:
অধিক বিৱৰণৰ বাবে, অনুগ্ৰহ কৰি মাৰুতি চুজুকি (Maruti Suzuki) অনুমোদিত কমাৰ্চিয়েল ৱৰ্কশ্বপৰ সৈতে যোগাযোগ কৰক।

চেঞ্জিং হুইল

⚠ সতৰ্কবাণী

ট্ৰেফিক লেনত কেতিয়াও চকা সলনি নকৰিব। চকা সলনি কৰাৰ সময়ত গাড়ীখন সদায় সমান আৰু কঠিন মাটিত, ট্ৰেফিকৰ পৰা আঁতৰাই ৰাখিব। অধিক সহায়ৰ বাবে আপোনাৰ ওচৰৰ মাৰুতি চুজুকি (Maruti Suzuki) অনুমোদিত ৱৰ্কশ্বপৰ সৈতে যোগাযোগ কৰক।


চকা এটা সলনি কৰিবলৈ, তলৰ পদ্ধতি অনুসৰণ কৰক:

1) গাড়ীৰ পৰা প্ৰথমে সকলো যাত্ৰীকে নমাওক আৰু কাৰ্গো বা সামগ্ৰীসমূহ আঁতৰাই লওক
2) গাড়ীৰ পৰা জেক, সঁজুলি আৰু অতিৰিক্ত চকা উলিয়াই লওক।
3) হুইল নাটবোৰ ঢিলা কৰক; কিন্তু আঁতৰাই নিদিব
4) গাড়ীখন জেক আপ কৰক ।

⚠ সাৱধান

গাড়ীখন চলাৰ লগে লগে চকা, হুইল নাট আৰু ব্ৰেকৰ চাৰিওফালে থকা অংশবোৰ অত্যন্ত গৰম হ'ব পাৰে
এইবোৰত হাত লাগিলে পুৰিব পাৰে। সেয়েহে, গাড়ীখন চলাৰ ঠিক পাছতে এইবোৰত স্পৰ্শ নকৰিব ।

5) হুইল নাটবোৰ আৰু হুইলটো অৰ্থাৎ চকাটো আঁতৰাই লওঁক।
6) নতুন চকাটো লগোৱাৰ আগতে চকাটো আৰু হাবটোত লাগি থকা বোকা বা মলি পৰিষ্কাৰ কাপোৰেৰে পৰিষ্কাৰ কৰি লওক । হাবটো পৰিষ্কাৰ কৰোঁতে সাৱধান হ'ব । গাড়ীখন চলোতে ই গৰম হ'ব পাৰে।
7) নতুন চকাটো লগাওতে কৰি হুইল নাটবোৰ সলনি কৰি তাৰ ক'ণ শ্বেপড, জোঙা মূৰটো চকাৰ ফালে মুখ কৰি লগাব । চকাটো হাবত ভালকৈ খাপ খাই নপৰালৈকে, প্ৰতিটো নাট হাতেৰে ভালদৰে টানিব ।



54G116

টান কৰক (ফিল্টাৰৰ ওপৰৰ পৰা লক্ষ্য কৰি)
100 Nm (10.2 kgf-m, 73.8 lbf-ft)

8) জেকটো তললৈ নমাই ছবিত দেখুওৱাৰ দৰে ৰেঞ্চেৰে ক্ৰিছক্ৰছ ফেশ্বনত নাটবোৰ টান কৰক।

⚠ সতৰ্কবাণী

আচল হুইল নাট্ ব্যৱহাৰ কৰক আৰু চকা সলনি কৰাৰ পিছত যিমান পাৰি সোনকালে নিৰ্দিষ্ট টৰ্কত টান কৰক। ভুল চকাৰ নাট্ বা ভুলকৈ টান কৰা চকাৰ নাট্ ঢিলা বা সৰি পৰিব পাৰে, যাৰ ফলত দুৰ্ঘটনা হ'ব পাৰে। যদি আপোনাৰ টৰ্ক ৰেঞ্চ নাই, মাৰুতি চুজুকিৰ কৰ্তৃত্বশীল কমাৰ্চিয়েল ৱৰ্কশ্বপৰ (Maruti Suzuki authorised COMMERCIAL workshop) দ্বাৰা চকাৰ নাটৰ টৰ্ক পৰীক্ষা কৰাব।

জাম্প ষ্টাৰ্টিং ইনষ্ট্ৰাকশ্যনচ বা নির্দেশনা

⚠ সতর্কবাণী


- যদি বেটেৰীটো ফ্ৰজেন হৈ থাকে, তেন্তে আপোনাৰ গাড়ীখন কেতিয়াও জাম্প ষ্টাৰ্ট কৰিবলৈ চেষ্টা নকৰিব। এনেকুৱা অৱস্থাত জাম্প ষ্টাৰ্ট কৰিলে বেটেৰীৰ বিস্ফোৰণ হ'ব পাৰে বা ফাটি যাব পাৰে ।
- জাম্প লিড কানেক্ট কৰাৰ সময়ত আপোনাৰ হাত আৰু জাম্প লিড পুলি, বেল্ট বা ফেনৰ পৰা দূৰৈত ৰাখিব ।
- বেটেৰীয়ে ক্লেমেবল অর্থাৎ জ্বলনশীল হাইড্ৰজেন গেছ উৎপন্ন কৰে। বেটেৰীবোৰ জুইৰ শিখা আৰু ফিৰিঙতিৰ পৰা আঁতৰত ৰাখিব, নহ'লে বিস্ফোৰণ হ'ব পাৰে। বেটেৰীৰ ওচৰত কাম কৰাৰ সময়ত কেতিয়াও ধূমপান নকৰিব।
- যদি আপুনি জাম্প ষ্টাৰ্টৰ বাবে ব্যৱহাৰ কৰা বুষ্টাৰ বেটাৰীটো আন এখন বাহনত স্থাপন কৰা হৈছে, তেন্তে নিশ্চিত হওক যে দুয়োখন বাহনে ইটোৱে সিটোক স্পর্শ কৰা নাই।
- যদি কোনো স্পষ্ট কাৰণ অবিহনে আপোনাৰ বেটাৰি বাৰম্বাৰ ডিচচার্জ হয়, আপোনাৰ গাড়ীখন মাৰুতি চুজুকি অনুমোদিত কমার্চিয়েল ৱৰ্কশপৰ (Maruti Suzuki authorised COMMERCIAL workshop) দ্বাৰা পৰীক্ষা কৰাব।
- নিজৰ বা আপোনাৰ গাড়ী বা বেটাৰীৰ সম্ভাব্য ক্ষতিৰ পৰা হাত সাৰিবলৈ, তলৰ জাম্প ষ্টাৰ্টৰ নির্দেশনাসমূহ নিখুঁতভাৱে আৰু ক্ৰমত অনুসৰণ কৰক। সন্দেহ থাকিলে যোগ্য ৰ'ড চার্ভিচৰ বাবে ফোন কৰক।

জাননী

আপোনাৰ গাড়ীখন কেতিয়াও ঠেলি বা টানি ষ্টাৰ্ট কৰিব নালাগে। এই পদ্ধতিয়ে কেটালিটিক কনভাৰ্টাৰটোৰ স্থায়ী ক্ষতি কৰিব পাৰে। দুৰ্বল বা ফ্লেট বেটেৰী থকা গাড়ী এখন ষ্টাৰ্ট কৰিবলৈ জাম্প লিড ব্যৱহাৰ কৰক।

আপোনাৰ গাড়ীখন জম্প ষ্টাৰ্ট কৰাৰ সময়ত, তলৰ পদ্ধতিটো অনুসৰণ কৰক:

1) গাড়ীখন জাম্প ষ্টাৰ্ট কৰিবলৈ কেৱল 12 ভল্টৰ বেটাৰী ব্যৱহাৰ কৰক। জাম্প লিডে দুয়োটা বেটেৰী ঢুকি পোৱাকৈ, ভাল 12 ভল্টৰ বেটাৰীটো আপোনাৰ গাড়ীখনৰ ওচৰত ৰাখক। আন এখন গাড়ীত ইনষ্টল হৈ থকা বেটেৰী ব্যৱহাৰ কৰাৰ সময়ত, গাড়ী দুখন স্পর্শ কৰিবলৈ নিদিব।
2) সুৰক্ষাৰ কাৰণে প্রয়োজনীয় সামগ্রীৰ বাহিৰে বাহনৰ সকলো আনুষংগিক বস্তু বন্ধ কৰক। (যেনে, হেডলাইট বা বিপদজনক লাইট)।



77PS056

3) তলত দিয়া ধৰণে জাম্প লিড লগাওক:
   1. প্রথম জাম্প লিডৰ এটা মূৰ ফ্লেট বেটেৰীৰ ধনাত্মক অর্থাৎ পজিটিভ (+) টার্মিনেলত লগাওক (1)
   2. আনটো মূৰ বুষ্টাৰ বেটাৰীৰ ধনাত্মক (+) টার্মিনেলত লগাওক (2)
   3. দ্বিতীয় জাম্প লিডৰ এটা মূৰ বুষ্টাৰ বেটেৰীৰ ঋণাত্মক অর্থা নিগেটিভ (–) টার্মিনেলত লগাওক (2)

4. অৱশেষত, গাড়ীখনৰ ৰং নকৰা, গধুৰ ধাতুৰ অংশ (অর্থা দুৱাৰৰ লেচ ষ্ট্ৰাইকাৰ ইত্যাদি)(3)ৰ সৈতে ক্লেট বেটাৰী (1) ৰ সংযোগ স্থাপন কৰক।

⚠ সতর্কবাণী

ডিচচার্জ বেটেৰীৰ নিগেটিভ (-) টার্মিনেলত জাম্প লিড কেতিয়াও পোনপটীয়াকৈ লগাব লালাগে। নহ'লে বিস্ফোৰণ ঘটিব পাৰে।

⚠ সাৱধান

ইঞ্জিন মাউণ্ট ব্ৰেকেটৰ সৈতে জাম্প লীড ভালদৰে সংযোগ কৰক। যদি ইঞ্জিনৰ আৱস্তণিত কম্পনৰ বাবে জাম্প লীডটো ইঞ্জিন মাউণ্ট ব্ৰেকেটৰ পৰা সংযোগ বিচ্ছিন্ন হয়, জাম্প লীডটো ড্ৰাইভ বেল্টত লাগি ধৰিব পাৰে।

4) যদি আপুনি ব্যৱহাৰ কৰা বুষ্টাৰ বেটাৰীটো আন এখন গাড়ীত লগোৱা থাকে তেন্তে বুষ্টাৰ বেটাৰীৰে গাড়ীখনৰ ইঞ্জিনটো ষ্টাৰ্ট কৰক আৰু ইঞ্জিনটো মধ্যম গতিত চলাই ৰাখক।
5) ক্লেট বেটাৰীটোৰ সহায়ত গাড়ীখনৰ ইঞ্জিন ষ্টাৰ্ট কৰক।
6) লগোৱাৰ একদম বিপৰীত ক্ৰমত জাম্প লিডকেইডাল আঁতৰাওক।

টাৱিং বা টানি নিয়া

আপোনাৰ গাড়ীখন টানি নিব লগীয়া হ'লে কোনো পেছাদাৰী সংস্থাৰে যোগাযোগ কৰিব। আপোনাৰ ডিলাৰে আপোনাক এইক্ষেত্ৰত বিতং তথ্য দিব পাৰিব।

জাননী

আপোনাৰ গাড়ীখনৰ সম্ভাব্য ক্ষতি ৰোধ কৰিবলৈ টানি নিয়া বা টাৱিঙৰ সময়ত সঠিক পদ্ধতি আৰু সঁজুলিৰ ব্যৱহাৰ কৰা উচিত।

2-টু হুইল ড্ৰাইভ (2WD) মেনুৱেল ট্ৰেন্সমিশ্যন

মেনুৱেল ট্ৰেন্সমিশ্যন গাড়ীবোৰ তলত দিয়া যিকোনো টাৱিং পদ্ধতিৰে টানি নিব পৰা যায়।

1) আগৰ চকাবোৰ ওপৰলৈ তুলি পিছৰ চকাবোৰ মাটিত ৰাখি, সন্মুখৰ পৰা। টানি লোৱাৰ আগতে ট্ৰেন্সমিছন নিউট্ৰেলত ৰাখি, পার্কিং ব্ৰেক এৰি দিয়াটো বাধ্যতামূলক।
2) যদিহে ষ্টিয়াৰিং আৰু ড্ৰাইভট্ৰেইন কার্যক্ষম অৱস্থাত থাকে, পিছফালৰ চকাবোৰ ওপৰলৈ তুলি আৰু সন্মুখৰ চকাবোৰ মাটিত ৰাখি পিছফালৰ পৰাও টানিব পাৰি। গাড়ীখন টনাৰ আগতে ষ্টিয়াৰিং আনলক কৰক (ইগনিচন কী "ACC" ত থাকিব লাগিব), আৰু ষ্টিয়াৰিংডাল টাৱিঙৰ কাৰণে ডিজাইন কৰা ক্লেম্পিং ডিভাইচেৰে সুৰক্ষিত কৰক।

জাননী

টাৱিঙৰ সময়ত সন্মুখৰ চকাৰ পৰা অহা জোকাৰণি সহ্য কৰিব পৰাকৈ ষ্টিয়েৰি কলামডাল ইমান শক্তিশালী নহয়। সেয়েহে, টানিবলৈ লোৱাৰ বা টাৱিঙৰ আগতে সদায় ষ্টিয়াৰিঙৰ লক খুলি ল'ব লাগে।

বেটাৰি চার্জ শেষ হৈ গৈছে

নিম্নলিখিত ক্ষেত্ৰবোৰত, লীড-এচিড বেটাৰিৰ চার্জ শেষ হৈ গৈছে।

- ইঞ্জিন অন কৰাৰ চেষ্টা কৰোঁতে ষ্টার্টাৰটোৱে কাম নকৰে। বা, ইঞ্জিনটো ষ্টার্ট কৰিবলৈ ষ্টার্টাৰ ঘূৰ্ণন অতি দুৰ্বল।
- হেডলাইটৰ পোহৰ অত্যন্ত কম বা হর্ণৰ তীব্ৰতা কম।

যদি ষ্টার্টাৰে কাম নকৰে

1) বেটেৰীৰ অৱস্থা নির্ণয় কৰিবলৈ হেডলাইট অন ৰাখি ইগনিচন চুইচটো "START" লৈ আনিবলৈ চেষ্টা কৰক। যদি হেডলাইটৰ পোহৰ অতি ম্লান হয় বা নাথাকেই, তেন্তে বেটেৰী হয়তোবা ক্লেট হৈছে অথবা টার্মিনেলৰ সংস্পর্শত থকা নাই। বেটেৰী পুনৰ চার্জ কৰক বা প্ৰয়োজন অনুসৰি টার্মিনেলৰ সৈতে সংযোগ ঠিক কৰক।
2) যদি হেডলাইটৰ পোহৰ উজ্জ্বল হৈয়েই আছে, তেন্তে ফিউজবোৰ পৰীক্ষা কৰক ষ্টার্টাৰ বিকল হোৱাৰ কাৰণ স্পষ্ট নহ'লে, বৈদ্যুতিক সমস্যাৰ কোনো ডাঙৰ কাৰণ থাকিব পাৰে। আপোনাৰ বাহনখন মাৰুটি চুজুকি অনুমোদিত কমার্চিয়েল ৱর্কশ্বপৰ (Maruti Suzuki authorised COMMERCIAL workshop) দ্বাৰা এখনৰ দ্বাৰা পৰীক্ষা কৰাই ল'ব।

যদি ষ্টাৰ্টাৰ আৰম্ভ নহয়

নিশ্চিত কৰিব যে আপোনাৰ বাহনত পৰ্যাপ্ত ইন্ধন আৰু বেটাৰিৰ চার্জ আছে।
যদি অতি ঠাণ্ডা স্থিতিত ইঞ্জিনটো ষ্টাৰ্ট নহয়, এক্সিলাৰেটৰ পেডেলটো মজিয়ালৈ সম্পূৰ্ণকৈ হেঁচি দিয়ক আৰু ইঞ্জিনটো ক্ৰেঙ্ক কৰোঁতে ইয়াক ধৰি ৰাখক।
"অপাৰেটিং ইয়ৰ ভেহিকল" শাখাত থকা "ষ্টাৰ্টিং ইঞ্জিন" অংশটো চাওক।
যদি তথাপিও ইঞ্জিনটো ষ্টাৰ্ট নহয়, আপোনাৰ মাৰুতি চুজুকি অনুমোদিত কমাৰ্চিয়েল ৱৰ্কশ্পৰ (Maruti Suzuki authorised COMMERCIAL workshop) দ্বাৰা আপোনাৰ বাহনখন পৰীক্ষা কৰাওক।

- ষ্টাৰ্টাৰ মটৰটো 12 ছেকেণ্ডৰ অধিক সময়ৰ বাবে নচলাব।

টোকা:
যদি ইঞ্জিনটো ষ্টাৰ্ট হ'বলৈ অস্বীকাৰ কৰে, এক নির্দিষ্ট সময়ৰ পিছত ষ্টাৰ্টাৰ মটৰটো স্বয়ংক্ৰিয়ভাৱে বন্ধ হৈ যায়। ষ্টাৰ্টাৰ মটৰ স্বয়ংক্ৰিয়ভাৱে বন্ধ হোৱাৰ পিছত বা ইঞ্জিন ষ্টাৰ্টিং প্ৰণালীত কিবা অস্বাভাৱিক হ'লে, ইগনিশ্বন চুইচটো "ষ্টাৰ্ট" স্থিতিলৈ নিলেহে বা ইঞ্জিন চুইচটো হেঁচি ৰাখিলেহে ষ্টাৰ্টাৰ মটৰটো চলে।

যদি ইঞ্জিনটো বানপানীত ডুব গৈছে

ইঞ্জিনটো যদি ইন্ধনেৰে ভৰি পৰে তেন্তে ষ্টাৰ্ট কৰাটো কঠিন হ'ব পাৰে। যদি এনেকুৱা হয়, তেন্তে এক্সিলেটৰৰ পেডেলটো মজিয়ালৈকে হেঁচক আৰু ইঞ্জিনটো ক্ৰেংক কৰাৰ সময়ত তাতেই ধৰি ৰাখক।
ষ্টাৰ্টাৰ মটৰটো 12 ছেকেণ্ডতকৈ অধিক সময় চলাব নালাগে।

যদি ইঞ্জিনটো অতিমাত্ৰা গৰম হয়

গাড়ীখন বহুত বেছি চলোৱাৰ কাৰণেও ইঞ্জিনটো সাময়িকভাৱে অতি গৰম হ'ব পাৰে। যদি গাড়ী চালাই থাকোঁতে উচ্চ ইঞ্জিন কুলেণ্ট তাপমাত্ৰাৰ সতর্কবাণী লাইট জ্বলি উঠে:
1) বাহনখন নিৰাপদ স্থানলৈ লৈ যাওঁক আৰু পার্ক কৰক।
2) হাই ইঞ্জিন কুলেণ্ট টেম্প্ৰেচাৰ ৱার্ণিং লাইটটো বন্ধ নোহোৱালৈকে ইঞ্জিনটোক সাধাৰণভাৱে ঠাইতে কেইমিনিটমান চলিবলৈ দিয়ক।

⚠ সতর্কবাণী

ভাপ ওলাই অহা দেখিলে, গাড়ীখন নিৰাপদ ঠাইত ৰখাই তৎক্ষণাত ইঞ্জিনটো বন্ধ কৰি ঠাণ্ডা হ'বলৈ দিয়ক। যেতিয়া ভাপ ওলাই থাকে তেতিয়া ইঞ্জিনৰ কম্পার্টমেণ্ট নুখুলিব। ভাপ নোহোৱা হ'লে, ইঞ্জিনৰ কম্পার্টমেণ্টটো খুলি কুলেণ্ট উতলিয়েই আছে নেকি চাওক। উতলি থাকিলে, উতল বন্ধ হোৱালৈকে অপেক্ষা কৰক ।

যদি হাই ইঞ্জিন কুলেণ্ট টেম্প্ৰেচাৰ ৱার্ণিং লাইট বন্ধ নহয়:
1) ইঞ্জিন বন্ধ কৰি পানী পাম্পৰ বেল্ট আৰু পুলিবোৰ নষ্ট হৈছে বা পিছলি গৈছে নেকি পৰীক্ষা কৰক। যিকোনো ধৰণৰ অস্বাভাৱিকতা ধৰা পৰিলে, ঠিক কৰক।
2) ৰিজাৰ্ভাৰত কুলেণ্টৰ পৰিমাণ পৰীক্ষা কৰক। যদি কুলেণ্ট "LOW" লাইনতকৈ কম আছে, তেন্তে ৰেডিয়েটৰ, পানী পাম্প আৰু ৰেডিয়েটৰ তথা হিটাৰৰ নলীত ফুটা আছে নেকি চাওক। সমস্যা সৃষ্টি কৰিব পৰা ফুটা বা লিক বিচাৰি পালে, সেয়া ঠিক নোহোৱালৈকে ইঞ্জিন চলাব নালাগে।
3) যদি আপুনি লিক দেখা নাপায়, তেন্তে ৰিজাৰভয়ৰত সাৱধানে কুলেণ্ট যোগ কৰক আৰু তাৰ পিছত প্ৰয়োজন হ'লে ৰেডিয়েটৰত যোগ কৰক। ("আৰুপৰিদর্শন ৰক্ষণাবেক্ষণ" অংশৰ "ইঞ্জিন কুলেণ্ট" চাওক।)

টোকা:
যদি আপোনাৰ ইঞ্জিন অত্যধিক গৰম হয় আৰু আপুনি কি কৰিব সেই বিষয়ে নিশ্চিত নহয়, আপোনাৰ মাৰুতি চুজুকি অনুমোদিত কমাৰ্চিয়েল ৱৰ্কশ্পৰ (Maruti Suzuki authorised COMMERCIAL workshop) সৈতে যোগাযোগ কৰক।



উদাহৰণ

65D350d

⚠ সতৰ্কবাণী


- **পানীৰ উষ্ণতা বেছি থকা অৱস্থাত ৰেডিয়েটৰ কেপ (বা ডিজেল ইঞ্জিনৰ বাবে ডিগেছিং টেংক কেপ) আঁতৰোৱাটো বিপদজনক, কাৰণ চাপত থকা তৰল পদাৰ্থ আৰু ভাপ এনে কৰিলে উৰি আহিব পাৰে। কুলেণ্টৰ তাপ কমিলেহে কেপটো খুলিব।**
- **আঘাত নাপাবলৈ হাত, সঁজুলি আৰু পিন্ধা কাপোৰ ইঞ্জিনৰ কুলিং ফেনৰ পৰা আঁতৰত ৰাখিব। এই বৈদ্যুতিক ফেনবোৰ কোনো আগতীয়া সাৱধানবাণী নোহোৱাকৈ নিজে নিজে চলিবলৈ আৰম্ভ কৰিব পাৰে।**

হিটিঙৰ পৰা আওাৰবডি ট্ৰাবল

যদি আপুনি আপোনাৰ গাড়ীৰ আওাৰবডীত খুন্দা মাৰে, মাৰুতি চুজুকি অনুমোদিত কমাৰ্চিয়েল ৱৰ্কশ্বপ (Maruti Suzuki authorised COMMERCIAL workshop) এখনক পৰীক্ষা কৰিবলৈ কওক। অন্যথা ষ্টিয়াৰিং, ছাচপেনচন, ড্ৰাইভলাইন, আৰু ব্ৰেক আদিত ক্ষতি হোৱাৰ ফলত আপোনাৰ নিৰাপদ গাড়ী চলোৱাত বাধা আহিব পাৰে।

ৰাৰ্ণিং ট্ৰায়েংগল


উদাহৰণ



MHO-07-001

আপোনাৰ গাড়ীখন বিকল হ'লে বা জৰুৰীকালীনভাৱে ৰখাই থোৱা অৱস্থাত, সম্ভাব্য বিপদ ৰোধ কৰিবলৈ, গাড়ীৰ লগত দিয়া ৰাৰ্ণিং ট্ৰায়েংগলটো, গাড়ীৰ পিছফালে আনুমানিক 50-100 মিটাৰ দূৰত্বৰ পৰা অন্য যান-বাহনে দেখা পোৱাকৈ মুকলিত ৰাখিব । ৰাৰ্ণিং ট্ৰায়েংগলৰ ৰিফ্লেক্টিং অৰ্থাৎ প্ৰতিফলিত ফালটো যান-বাহন অহাৰ দিশত ৰাখিব । অনুগ্ৰহ কৰি ৰাৰ্ণিং ট্ৰায়েংগলৰ ব্যৱহাৰৰ আগতে হেজাৰ্ড লেম্প জ্বলাওক।


উদাহৰণ



MHO-07-014-1

- কাঁড় চিহ্ন 1 ত দেখুওৱাৰ দৰে ৰাৰ্ণিং ট্ৰায়েংগলটো কভাৰৰ পৰা সাৱধানে মোকলাওক।
- কাঁড় চিহ্নৰে দেখুওৱাৰ দৰে দুয়োটা ৰিফ্লেক্টৰ আৰ্ম খুলি সোঁহাতত দিয়া ক্লিপটোৰে দুয়োটা ইটোৰে সিটোৰ লগত লক কৰক। কাঁড় চিহ্ন 2ত দেখুওৱাৰ দৰে বটম ষ্টেণ্ডটো ঘড়ীৰ কাঁটাৰ বিপৰীত দিশত খোলক গাড়ীখনৰ পিছফালে ৰাৰ্ণিং ট্ৰায়েংগলটো সমান ঠাইত ৰাখক।
- কভাৰৰ ভিতৰত ৰখাৰ বাবে আঁতৰোৱাৰ পদ্ধতি ওলোটা কৰক।


উদাহৰণ



MHO-07-014

ফায়াৰ এক্সটিংগুইচাৰ বা জুঁই নুমোৱা যতন (যদি থাকে)


উদাহৰণ



77PM08009

ফায়াৰ এক্সটিংগুইচাৰ বা জুঁই নুমোৱা যতনটো আসনৰ পিছফালে (চালকৰ আসন আৰু যাত্ৰীৰ আসনৰ মাজত) ৰখা হয়।

উদাহৰণ




77PM08003

(1) ফায়াৰ এক্সটিংগুইচাৰ চিলিণ্ডাৰ
(2) চীল
(3) চেফটি পিন
(4) লিভাৰ
(5) নজল

ফায়াৰ এক্সটিংগুইচাৰ উলিয়াই অনা আৰু আকৌ ঠাইত থোৱা

ফায়াৰ এক্সটিংগুইচাৰ উলিয়াই আনিবলৈ

উদাহৰণ




77PM08004

ফায়াৰ এক্সটিংগুইচাৰ লিভাৰ (1)ডাল অলপ ওপৰলৈ তুলি যন্ত্ৰটো ছবিত দেখুওৱাৰ দৰে টানিব ধৰিব লাগে, যাতে ইয়াক ক্লেম্প (2)ৰ পৰা আঁতৰাই পেলাব পাৰি।

ফায়াৰ এক্সটিংগুইচাৰটো আকৌ আগৰ ঠাইত থ'বৰ কাৰণে

উদাহৰণ




77PM08005

ফায়াৰ এক্সটিংগুইচাৰটো (1) ক্লেম্প (3)ত সুমুৱাই দিয়ক আৰু নজল (2)টো সাৱধানে তললৈ নমাই ক্লেম্পটোৰ ওপৰত ৰাখক।


টোকা:
ফায়াৰ এক্সটিংগুইচাৰৰ নজলটো ক্লেম্পত সঠিকভাৱে বহুৱাওক।

কার্য্যকলাপৰ পদ্ধতি



77PM08006

1) ফায়াৰ এক্সটিংগুইচাৰটো (1) খিয়কৈ ধৰি ৰাখক।
2) ছেফটি পিন (3) টো ঘূৰাই চীল (2) টো ভাঙি পেলাওক।



77PM08007

3) ছেফটি পিন (3) টো টানি উলিয়াওক।
4) লিভাৰ (4) ডাল চেপি ধৰি নজল (5) ৰ পৰা জেটটো খৰকৈ ঝাড়ু দিয়া গতিৰে জুইৰ ফালে পোনাই ধৰক।




77PM08008

5) নুমাই নোযোৱালৈকে জুইকুৰা দূৰলৈ ঠেলি দিবলৈ চাওক।

টোকা:
ফায়াৰ এক্সটিংগুইচাৰটো বাহিৰা কাৰণত গাড়ীত লাগিব পৰা কম পৰিসৰৰ জুইৰ ক্ষেত্ৰতহে ব্যৱহাৰ কৰিব পৰা যায়।

কৰণীয় আৰু অকৰণীয়



77PM08001

কৰণীয়

1) নিয়মিতভাবে প্ৰেছাৰ গ'জটো পৰীক্ষা কৰিব। সৰ্বোচ্চ চাৰ্জিং প্ৰেছাৰ 15Kgf/cm2 (গ্ৰীণ জ'নত (2))
2) চাপ বা প্ৰেছাৰ কমি গ'লে ইণ্ডিকেটৰ নীডল (1) টো ৰঙা অঞ্চললৈ (3) যাব। তেনেক্ষেত্ৰত ফায়াৰ এক্সটিংগুইচাৰত দিয়া তথ্য অনুসৰি তৎক্ষণাত নিৰ্মাতা কোম্পানীটোৰ সৈতে যোগাযোগ কৰক।
3) মেন্যুফেকচাৰ চাৰ্ভিচ চেণ্টাৰৰ পৰাহে ফায়াৰ এক্সটিংগুইচাৰ সম্পৰ্কীয় সেৱা গ্ৰহণ কৰক। নিকটতম চাৰ্ভিচ চেণ্টাৰৰ স্থান নিৰ্ণয় কৰিবলৈ ফায়াৰ এক্সটিংগুইচাৰত দিয়া তথ্যসমূহ চাওক।
4) ফায়াৰ এক্সটিংগুইচাৰটো সদায় গাড়ীখনৰ নিৰ্দিষ্ট স্থানত ৰখা উচিত।
5) ব্যৱহাৰৰ পাছত ফায়াৰ এক্সটিংগুইচাৰটো পুনৰ আগৰ ঠাইত ভৰাই থ'ব লাগে।

অকৰণীয়

1) ফায়াৰ এক্সটিংগুইচাৰটো পৰিষ্কাৰ কৰিবলৈ কেতিয়াও পানী ব্যৱহাৰ কৰিব নালাগে। (ধূলি আঁতৰোৱাৰ বাবে পৰিষ্কাৰ কাপোৰ ব্যৱহাৰ কৰক)
2) পূৰ্বে ব্যৱহৃত বা নিৰ্গত অৰ্থাৎ ডিচচাৰ্জড ফায়াৰ এক্সটিংগুইচাৰৰ ওপৰত নিৰ্ভৰ কৰা উচিত নহয়।

টোকা:
- *প্ৰতিবাৰৰ ব্যৱহাৰৰ পিছত ৰিফিলিং কৰাটো প্ৰয়োজনীয়।*
- *ফায়াৰ এক্সটিংগুইচাৰটোৰ ব্যৱহাৰ নহ'লেও প্ৰতি 3 বছৰৰ পিছত ৰিফিলিং কৰাটো প্ৰয়োজন।*

বাহ্যিক যত্ন

ক'ৰ'জ্যন প্ৰিভেনচন 9-1
গাড়ীৰ চাফাই বা ভেহিকল ক্লিনিং 9-2

ক'ৰ'জ্যন প্ৰিভেনচন

ক'ৰ'জ্যন অৰ্থাৎ মামৰে নোখোৱাকৈ ৰাখিবলৈ আপোনাৰ গাড়ীখনৰ ভালদৰে যত্ন লোৱাটো প্ৰয়োজন। তলত আপোনাৰ গাড়ীখন ক'ৰ'জ্যনৰ পৰা কেনেকৈ ৰক্ষণাবেক্ষণ কৰিব লাগে তাৰ নিৰ্দেশনা দিয়া হৈছে। অনুগ্ৰহ কৰি এই নিৰ্দেশনাসমূহ ভালদৰে পঢ়ক আৰু পালন কৰক।

জাৰণৰ বিষয় গুৰুত্বপূৰ্ণ তথ্য

ক'ৰ'জ্যনৰ সাধাৰণ কাৰণসমূহ

1) গাড়ীৰ আণ্ডাৰ ব'ডি অৰ্থাৎ তলৰ অংশ বা ফ্ৰেমৰ দৰে সততে ঢুকি নোপোৱা ঠাইত ধূলি-বালি, ভাপ বা ৰাসায়নিক পদাৰ্থ জমা হয়
2) সৰু দুৰ্ঘটনা বা শিলগুটিৰ দ্বাৰা ঘৰ্ষণৰ ফলত ৰং কৰা ধাতুৰ পৃষ্ঠত আঁচোৰ আৰু যিকোনো ক্ষতিৰ ফলতো ক'ৰ'জ্যন হ'ব পাৰে
3) তলত দিয়া সকলোবোৰ বা যিকোনো এটা কাৰকৰ ফলতো ক'ৰ'জ্যন হ'ব পাৰে

- অবিৰতভাৱে সূৰ্যৰ পোহৰত থাকিলে
- গাড়ীখন সাগৰীয় বা অন্য হাৰ্ড ৰাটাৰৰ সংস্পৰ্শত থাকিলে
- ফুট ৰাবিং (স্কাটিং)

ক'ৰ'জ্যন খৰতকীয়া কৰিব পৰা পৰিবেশগত কাৰণ

1) ধূলি-বালি, ধূলি নিয়ন্ত্ৰণ কৰা ৰাসায়নিক পদাৰ্থ, সাগৰীয় বায়ু বা উদ্যোগিক প্ৰদূষণ এই সকলোবোৰে ক'ৰ'জ্যন বা মামৰে ধৰা কামটো খৰতকীয়া কৰিব পাৰে ।
2) সেমেকা জলবায়ু বিশেষকৈ বৰফ জমা হোৱাতকৈ অলপহে ওপৰত থকা তাপমাত্ৰাত ক'ৰ'জ্যনৰ হাৰ বৃদ্ধি পায়।
3) গাড়ীৰ কিছুমান বিশেষ অংশত দীঘলীয়া সেমেকা ভাবে, আন অংশবোৰ সম্পূৰ্ণ শুকানকৈ থাকিলেও ক'ৰ'জ্যনৰ সৃষ্টি কৰিব পাৰে ।
4) অতি উষ্ণ তাপমাত্ৰাই গাড়ীখনৰ ভালদৰে বায়ু চলাচল নোহোৱাৰ ফলত নুশুকোৱা অঞ্চলবোৰত ক'ৰ'জ্যনৰ হাৰ বৃদ্ধি কৰিব ।

এই তথ্যসমূহৰ পৰা এই কথা স্পষ্ট হয় যে আপোনাৰ গাড়ীখন (বিশেষকৈআণ্ডাৰবডি) যিমান পাৰি পৰিষ্কাৰ আৰু শুকান কৰি ৰখাটো প্ৰয়োজনীয়। ৰং বা অন্য সুৰক্ষামূলক আৱৰণত হোৱা যিকোনো ক্ষতি অতি সোনকালে মেৰামতি কৰাটোও গুৰুত্বপূৰ্ণ।

ক'ৰ'জ্যন প্ৰতিৰোধত কেনেকৈ সহায় কৰিব পাৰি

আপোনাৰ গাড়ীখন সঘনাই ধুব

সঘনাই ধুই পৰিষ্কাৰ কৰি ৰখাটোৱেই আপোনাৰ গাড়ীখন ক'ৰ'জ্যনৰ পৰা বচাই ৰখাৰ সৰ্বোত্তম উপায় ।

শীত অহাৰ আগতে আৰু শীত যোৱাৰ লগে লগে অন্ততঃ এবাৰ আপোনাৰ গাড়ীখন ভালকৈ ধুব । আপোনাৰ গাড়ীখন, বিশেষকৈ তলটো, যিমান পাৰি সিমান চাফা আৰু শুকানকৈ ৰাখিব ।

যদি আপুনি লুণীয়া পৰিবেশত সঘনাই গাড়ী চলায়, তেন্তে শীতকালত মাহত অন্ততঃ এবাৰকৈ আপোনাৰ গাড়ীখন ধুব । যদি আপুনি সাগৰৰ পাৰত বাস কৰে, তেন্তে গোটেই বছৰটো প্ৰতিমাহে অন্ততঃ এবাৰকৈ আপোনাৰ গাড়ীখন ধুব ।

ধোৱাৰ নিৰ্দেশনাৰ বাবে “বাহন পৰিষ্কাৰ কৰা” অংশ চাওক।

অলাগতিয়াল সামগ্ৰীৰ জমাবোৰ আঁতৰাই পেলাওক

অলাগতিয়াল সামগ্ৰী যেনে নিমখ, ৰাসায়নিক পদাৰ্থ, পথৰ তেল বা আলকাতৰা, গছৰ ৰস, চৰাইৰ মল আৰু ঔদ্যোগিক আবৰ্জনাই আপোনাৰ বাহনখনৰ ফিনিচিং ক্ষতি কৰিব পাৰে, যদিহে ইয়াক ৰং কৰা পৃষ্ঠত এৰি দিয়া হয়। এই ধৰণৰ জমাবোৰ যিমান পাৰি সোনকালে আঁতৰাই পেলাওক। যদি এই জমাবোৰ ধুই পেলোৱাটো কঠিন হয়, তেন্তে অতিৰিক্ত চাফাইৰ প্ৰয়োজন হ'ব পাৰে। নিশ্চিত হওক যে আপুনি ব্যৱহাৰ কৰা যিকোনো ক্লিনাৰ ৰং কৰা পৃষ্ঠৰ বাবে ক্ষতিকাৰক নহয় আৰু বিশেষভাৱে আপোনাৰ উদ্দেশ্যৰ বাবে নিৰ্মিত। এই বিশেষ ক্লিনাৰসমূহ ব্যৱহাৰ কৰাৰ সময়ত প্ৰস্তুতকাৰকৰ নিৰ্দেশনা অনুসৰণ কৰক।

ফিনিচ ডেমেজৰ বা হৈ যোৱা ক্ষতিৰ মেৰামতি

আপোনাৰ গাড়ীখনৰ ৰং কৰা ঠাইসমূহৰ ক্ষয়-ক্ষতিৰ বুজ লওক । যদি আপুনি কোনো ধৰণৰ আঁচোৰৰ চিন পায়, তেন্তে তাৰ ওপৰত পুনৰ ৰং দিয়ক যাতে মামৰে নধৰে । যদি আঁচোৰ ৰং পাৰ হৈ ধাতুৰ তললৈকে যায়, তেন্তে এক যোগ্য বডি শ্বপৰ ওচৰত মেৰামতি কৰিবলৈ নিব।

যাত্ৰী আৰু লাগেজ কম্পাৰ্টমেণ্ট পৰিষ্কাৰ কৰি ৰাখক।

মজিয়াৰ মেটৰ তলতো জলীয় ভাপ, মলি বা বোকা জমা হ'ব পাৰে আৰু ইয়াৰ ফলতো ক'ৰ'জ্যন সৃষ্টি হ'ব পাৰে। মাজে-সময়ে মেটসমূহৰ তলসমূহ শুকান আৰু চাফা হৈ থকাটো সুনিশ্চিত কৰিব । যদি গাড়ীখন অফ ৰোড বা ভিজা বতৰত চলোৱা হয় তেন্তে অধিক সঘনাই পৰীক্ষা কৰাটো প্ৰয়োজনীয়।

কিছুমান বিশেষ সামগ্রী যেনে ৰাসায়নিক পদাৰ্থ, সাৰ, পৰিষ্কাৰক, নিমখ আদি প্ৰকৃতিত অত্যন্ত জাৰণকাৰী। এই সামগ্ৰীসমূহ বন্ধ পাত্ৰত পৰিবহণ কৰিব লাগে। যদিহে ছিটিকি পৰা বা লিক হয় তেন্তে তৎক্ষণাত সেই ঠাইখিনি পৰিষ্কাৰ কৰি শুকুৱাই লওক।

আপোনাৰ গাড়ীখন শুকান আৰু ভালদৰে বায়ু চলাচল কৰা ঠাঁইত ৰাখিব ।

আপোনাৰ গাড়ীখন সূৰ্যৰ অবিৰত পোহৰ নপৰা ঠাঁইত ৰখাব ।

সেমেকা আৰু বেয়াকৈ বায়ু চলাচল কৰা ঠাঁইত আপোনাৰ বাহনখন ৰখাব নালাগে। যদি আপুনি প্ৰায়ে গেৰেজতে বাহনখন ধোৱে বা ভিজা অৱস্থাতে গাড়ীখন গেৰেজলৈ সোমোৱাই, তেন্তে আপোনাৰ গেৰেজটো সেমেকি থাকিবই। গেৰেজত অধিক সেমেকা পৰিবেশে ক'ৰ'জ্যনৰ সৃষ্টি কৰিব পাৰে বা ইয়াৰ হাৰ বৃদ্ধি কৰিব পাৰে।ভিজা গাড়ী এখনত উষ্ণ গেৰেজ এটাতো ক'ৰ'জ্যন হ'ব পাৰে যদিহে গেৰেজটোৰ বায়ু চলাচলৰ ব্যৱস্থাটো বেয়া হয়।

⚠ সতৰ্কবাণী

একজষ্ট চিষ্টেমৰ উপাদান যেনে কেটালাইটিক কনভাৰ্টাৰ, একজষ্ট পাইপ আদিৰ ওপৰত বা চাৰিওফালে অতিৰিক্ত আণ্ডাৰকোটিং বা মামৰ প্ৰতিৰোধী আৱৰণ প্ৰয়োগ নকৰিব। যদি আণ্ডাৰকোটিং পদাৰ্থটো অতিমাত্ৰা গৰম হয়, তেন্তে জুই লাগিব পাৰে।

গাড়ীৰ চাফাই বা ভেহিকল ক্লিনিং

উদাহৰণ



77PM09001

⚠ সতৰ্কবাণী

বাহনখনৰ ভিতৰভাগ বা বাহিৰভাগ পৰিষ্কাৰ কৰোঁতে, কেতিয়াও জ্বলনশীল চোলভেণ্ট যেনে লেকাৰ থিনাৰ, পেট্ৰল, বেঞ্জিন বা ব্লীছ অথবা শক্তিশালি ঘৰুৱা ডিটেৰ্জেণ্টৰ দৰে পৰিষ্কাৰ কৰা সামগ্ৰী ব্যৱহাৰ নকৰিব। এই সামগ্ৰীবোৰৰ ফলত ব্যক্তিগত আঘাত বা বাহনৰ ক্ষতি হ'ব পাৰে।

ইণ্টেৰিয়ৰ বা আভ্যন্তৰীণ অংশ চাফা কৰা

ভিনাইল আপহলষ্ট্ৰী

গৰম পানীৰ লগত চাবোন বা কোনো মৃদু ডিটাৰজেন্ট মিহলাই লওক। ভিনাইলত স্পঞ্জ বা কোমল কাপোৰেৰে চাবোন পানী লগাই ধূলি-বালি কোমল হৈ পৰাকৈ কেইমিনিটমান তিয়াই থওক। পৰিষ্কাৰ ভিজা কাপোৰেৰে ঘঁহি মলি আৰু চাবোনৰ দ্ৰৱটো আঁতৰাই পেলাওক । থাকি যোৱা মলিৰ কাৰণে প্ৰক্ৰিয়াটো আকৌ কৰক ।

ফেব্ৰিক আপহলষ্টেৰী (যাত্ৰীৰ সমুখৰ আসনৰ বাহিৰে)।

ধূলি-বালিবোৰ ভেকুৱাম ক্লিনাৰেৰে আঁতৰাই পেলাওক। পাতল চাবোন ব্যৱহাৰ কৰি দাগ পৰা ঠাইবোৰ পৰিষ্কাৰ ভিজা কাপোৰেৰে ঘঁহি লওক। চাবোন আঁতৰাবলৈ পানীত তিয়াই লোৱা কাপোৰেৰে সেই অংশবোৰ পুনৰ মচি দিয়ক।

দাগ আঁতৰ নোহোৱালৈকে এই প্ৰক্ৰিয়াৰ পুনৰাবৃত্তি কৰক, বা কঠিন দাগবোৰৰ বাবে কমাৰ্চিয়েল ফেব্ৰিক ক্লিনাৰ ব্যৱহাৰ কৰক । ফেব্ৰিক ক্লিনাৰ ব্যৱহাৰ কৰিলে, নিৰ্মাতাই দিয়া নিৰ্দেশনা আৰু বিধি পালন কৰক।

⚠ সাৱধান

- **সন্মুখৰ যাত্ৰীৰ আসনত তৰল বা অধঁকঠিন পদাৰ্থ ঢালি নিদিব। যদিহে এনেকুৱা হয় তেন্তে লগে লগে কোমল কাপোৰেৰে শুকুৱাই মচি দিব। চেন্সৰৰ সৈতে তৰল পদাৰ্থৰ সংস্পৰ্শহি ছিট বেল্ট ৰিমাইণ্ডাৰ চেন্সৰৰ কাৰ্য্যত প্ৰভাৱ পেলাব পাৰে।**
- **যাত্ৰীৰ আসনত কোনো চোকা বা গধুৰ বস্তু ৰাখিব নালাগে যিয়ে আসনৰ আচবাবৰ মাজেৰে সোমাই যাব পাৰে আৰু চেন্সৰৰ ক্ষতি কৰিব পাৰে।**

ফেব্রিক আপহলষ্ট্রী (সমুখৰ যাত্রী আসনৰ বাবে)
চাফাইৰ বাবে তৰল পদাৰ্থ ব্যৱহাৰ নকৰিব কাৰণ ই কাপোৰত সোমাই চিট চেন্সৰৰ ক্ষতি কৰিব পাৰে।

লেডাৰ বা চামৰাৰ আপহলষ্ট্রী
ধূলি-বালিবোৰ ভেকুৱাম ক্লিনাৰেৰে আঁতৰাই পেলাওক। পাতল চাবোন ব্যৱহাৰ কৰি দাগ পৰা ঠাইবোৰ পৰিষ্কাৰ ভিজা কাপোৰেৰে ঘঁহি লওক। চাবোন আঁতৰাবলৈ পানীত তিয়াই লোৱা কাপোৰেৰে সেই অংশবোৰ পুনৰ মচক। এখন কোমল কাপোৰেৰে ঠাইবোৰ শুকানকৈ মচি দিয়ক । দাগ আঁতৰ নোহোৱালৈকে এই প্ৰক্ৰিয়াৰ পুনৰাবৃত্তি কৰক, বা কঠিন দাগবোৰৰ বাবে কমাৰ্চিয়েল লেডাৰ ক্লিনাৰ ব্যৱহাৰ কৰক । লেডাৰ ক্লিনাৰ ব্যৱহাৰ কৰিলে, নিৰ্মাতাই দিয়া নিৰ্দেশনা আৰু বিধি পালন কৰক। চলভেণ্ট ক্লিনাৰ বা এৱেচিভ ক্লিনাৰ ব্যৱহাৰ নকৰিব।
টোকা:
• চামৰাৰ আপহলষ্টেৰী শুৱনি দেখাবলৈ হ'লে বহুৰত কমেও দুবাৰ চাফা কৰিব লাগে।
• চামৰাৰ আপহলষ্টেৰী তিতিলে লগে লগে টিছু পেপাৰ বা কোমল কাপোৰেৰে শুকুৱাই মচি দিব লাগে। মচি নিদিলে পানীয়ে চামৰা কঠিন কৰি সংকুচিত কৰিব পাৰে।
• ৰ'দঘাই দিনত গাড়ী ৰখাওঁতে ছাঁয়াময় ঠাই বাছি লওক বা ছানশ্বেড ব্যৱহাৰ কৰক। চামৰাৰ আপহলষ্টেৰী যদি দীৰ্ঘদিন ধৰি প্ৰত্যক্ষ সূৰ্যৰ পোহৰত থাকে তেন্তে ইয়াৰ ৰং সলনি হৈ সংকুচিত হ'ব পাৰে।
• প্ৰাকৃতিক সামগ্ৰীৰ দৰেই সহজাতভাৱে গৰুৰ চামৰা অনিয়মিত আৰু প্ৰাকৃতিকভাৱে দাগ থাকে। এইবোৰে চামৰাৰ কাম-কাজত কোনো ধৰণৰ প্ৰভাৱ পেলোৱা নাই।

চীট বেল্ট
চিট বেল্টবোৰ পাতল চাবোন আৰু পানীৰে পৰিষ্কাৰ কৰক । বেল্টত ব্লিচ বা ডাই ব্যৱহাৰ নকৰিব । এইবোৰে বেল্টৰ ফেব্রিক দূৰ্বল কৰি পেলাব পাৰে ।

ভিনাইল ফ্লৰ মেট
ভিনাইলৰ পৰা সাধাৰণ ময়লা চাবোন আৰু পানীৰেই আঁতৰাই পেলাব পাৰি । ময়লাবোৰ কোমলাবলৈ এডাল ব্ৰাছৰ ব্যৱহাৰ কৰক । ময়লা কোমল হ'লে, পানীৰে মেটবোৰ ধুই ছাঁত শুকাবলৈ দিয়ক ।

কাৰ্পেট
ধূলি-বালিবোৰ ভেকুৱাম ক্লিনাৰেৰে আঁতৰাই পেলাওক। পাতল চাবোন ব্যৱহাৰ কৰি দাগ পৰা ঠাইবোৰ পৰিষ্কাৰ ভিজা কাপোৰেৰে ঘঁহি লওক। চাবোন আঁতৰাবলৈ পানীত তিয়াই লোৱা কাপোৰেৰে সেই অংশবোৰ পুনৰ মচক। দাগ আঁতৰ নোহোৱালৈকে এই প্ৰক্ৰিয়াৰ পুনৰাবৃত্তি কৰক, বা কঠিন দাগবোৰৰ বাবে কমাৰ্চিয়েল কাৰ্পেট ক্লিনাৰ ব্যৱহাৰ কৰক । কাৰ্পেট ক্লিনাৰ ব্যৱহাৰ কৰিলে, নিৰ্মাতাই দিয়া নিৰ্দেশনা আৰু বিধি পালন কৰক।


যন্ত্ৰ পেনেল আৰু কনছ'ল
ধূলি-বালিবোৰ ভেকুৱাম ক্লিনাৰেৰে আঁতৰাই পেলাওক।. ভালকৈ আতি লোৱা ভিজা পৰিষ্কাৰ কাপোৰেৰে লাহে লাহে মলি মচি পেলাওক। মলি নোহোৱা হোৱালৈকে এইদৰে পুনৰাবৃত্তি কৰক।

জাননী

ভালকৈ আতি লোৱা ভিজা পৰিষ্কাৰ কাপোৰেৰে লাহে লাহে মলি মচি পেলাওক। মলি নোহোৱা হোৱালৈকে এইদৰে পুনৰাবৃত্তি কৰক।

ইনষ্ট্ৰুমেণ্ট ক্লাষ্টাৰ বা আন কোনো ইলেক্ট্ৰনিক উপাদানত পোনপটীয়াকৈ পানী বা কোনো তৰল পদাৰ্থ স্প্ৰে' নকৰিব। ইয়াৰ ফলত সামগ্ৰিক ক্ষতি হ'ব পাৰে অথবা অংশটোৰ কাম ৰৈ যাব পাৰে ।

উদাহৰণ



81RM08005

ক্লিনিং দা এক্সটেৰিয়ৰ বা বাহিৰৰ অংশ পৰিষ্কাৰ কৰণ

জাননী

আপোনাৰ গাড়ীখন পৰিষ্কাৰকৈ আৰু ধূলি-মাকতি মুক্ত কৰি ৰখাটো প্ৰয়োজনীয় । পৰিষ্কাৰ কৰি ৰাখিব নোৱাৰিলে গাড়ীৰ ৰং ম্লান হৈ যাব পাৰে বা গাড়ীখনৰ বিভিন্ন অংশত ক'ৰ'জ্যন হ'ব পাৰে।

ৰাশ্বিং বা ধোৱন

⚠ সতৰ্কবাণী

- **ইঞ্জিন চলি থকাৰ সময়ত কেতিয়াও বাহনখন ধুই ৰেক্স কৰিবলৈ চেষ্টা নকৰিব।**
- **চোকা, ধাৰ থকা অংশ থাকিব পৰা গাড়ীৰ তল ফাল আৰু ফেণ্ডাৰ পৰিষ্কাৰ কৰাৰ সময়ত, হাত আৰু বাহু কাটি যোৱাৰ পৰা ৰক্ষা কৰিবলৈ হাতমোজা আৰু দীঘল হাতৰ চাৰ্ট পিন্ধিব ।.**
- **গাড়ীখন ধোৱাৰ পিছত চলোৱাৰ আগতে ব্ৰেকবোৰ সুচাৰুৰূপে কাম কৰিছে নে নাই সাৱধানে পৰীক্ষা কৰক ।**

হাতেৰে ধোৱা

উদাহৰণ



82DY0

গাড়ীখন ধোৱাৰ সময়ত সূৰ্যৰ পোহৰ পোনপটীয়াকৈ নপৰা ঠাইত ৰখাই, তলৰ নিৰ্দেশনা অনুযায়ী আগবাঢ়ক:

1) বোকা আৰু ময়লা আঁতৰাবলৈ গাড়ীৰ তল আৰু হুইল হাউচিং জোৰেৰে পানী মাৰি ধোৱক । প্ৰচুৰ পৰিমাণে পানী ব্যৱহাৰ কৰক

জাননী

গাড়ীখন ধোৱাৰ সময়ত:
- **প্লাষ্টিকৰ ওপৰত 80 ডিগ্ৰী চেলছিয়াছ (176 ডিগ্ৰী ফাৰেনহাইট)তকৈ অধিক ভাপ বা গৰম পানী ব্যৱহাৰ নকৰিব ।**
- **ইঞ্জিনৰ কোনো ক্ষতি নহ'বলৈ ইঞ্জিন কম্পাৰ্টমেণ্টত জোৰত পানী ব্যৱহাৰ নকৰিব।**

2) পানীৰে ধূই ধূলি-মাকতিবোৰ কোমলাই লওক । ৰাণিং ৰাটাৰ ব্যৱহাৰ কৰি গাড়ীখনৰ বাহিৰৰ পৰা মলি আৰু বোকাবোৰ আঁতৰাই পেলাওক । আপুনি এটুকুৰা কোমল স্পঞ্জ বা ব্ৰাছ ব্যৱহাৰ কৰিব পাৰে । ৰং বা প্লাষ্টিকত দাগ লগাব পৰা কোনো টান বস্তু ব্যৱহাৰ নকৰিব । মনত ৰাখিব হেডলাইটৰ ক'ভাৰ আৰু লেন্সবোৰ বহুসময়ত প্লাষ্টিকৰ হয় ।

জাননী

ৰং বা প্লাষ্টিকৰ পৃষ্ঠৰ ক্ষতি নহ'বলৈ যথেষ্ট পৰিমাণে পানী নোহোৱাকৈ মলি মচি পেলাব নালাগে। ওপৰৰ পদ্ধতি নিশ্চয় মানি চলক।

3) স্পঞ্জ বা কোমল কাপোৰ ব্যৱহাৰ কৰি মৃদু ডিটাৰজেণ্ট বা গাড়ী ধোৱাৰ চাবোনেৰে গোটেই বাহিৰৰ অংশটো ধুব লাগে। চাবোনৰ দ্ৰৱত স্পঞ্জ বা কাপোৰখন সঘনাই তিয়াই ৰাখিব লাগে।

জাননী

কমাৰ্চিয়েল কাৰ ৰাশ্ব প্ৰডাক্ট ব্যৱহাৰ কৰাৰ সময়ত প্ৰস্তুতকাৰকে নিৰ্দিষ্ট কৰা বিধিসমূহ পালন কৰিব । ঘৰুৱাভাবে ব্যৱহাৰ কৰা শক্তিশালী ডিটাৰজেণ্ট বা চাবোন কোনো কাৰণতে ব্যৱহাৰ নকৰিব ।


4) ধূলি-বালি সম্পূৰ্ণৰূপে আঁতৰি গ'লে ৰৈ ডিটাৰজেণ্টৰ ৰৈ যোৱা অংশ ৰাণিং ৰাটাৰেৰে ধুই পেলাব লাগে।
5) ধোৱাৰ পাছত, গাড়ীখন এখন কোমল ভিজা কাপোৰেৰে মোহাৰি, ছাঁত শুকাবলৈ দিয়ক ।
6) গাড়ীৰ বডিৰ ৰঙত কৰবাত দাগ লাগিছে নেকি লক্ষ্য কৰক । যদি দাগ আছে, তলৰ বিধি অনুসৰণ কৰক:
   1. দাগ লগা ঠাইবোৰ চাফা কৰি শুকাবলৈ দিয়ক ।

2. ৰংবোৰ সাৱধানে লৰাই, সৰু ব্ৰাছ এডালেৰে দাগ লগা ঠাইৰ ওপৰেৰে বুলাই দিয়ক ।
3. ৰঙৰ প্ৰলেপটো সম্পূৰ্ণৰূপে শুকাবলৈ দিয়ক।

জাননী
***জাননীজাননী*আপুনি যদি অটোমেটিক কাৰ্ ৱাশ্ ব্যৱহাৰ কৰে, আপোনাৰ গাড়ীখনৰ বিবিধ অংশ যেনে স্পইলাৰ ইত্যাদি যাতে ক্ষতিগ্ৰস্ত নহয়, তাৰ বাবে সচেতন হওক । সন্দেহ থাকিলে কাৰ ৱাশ্ অপাৰেটৰৰ সৈতে যোগাযোগ কৰক ।**

ৱেক্সিং

উদাহৰণ



77PM09002

গাড়ীখন ধোৱাৰ পাছত ৱেক্সিং আৰু পলিশিং কৰিলে গাড়ীৰ ৰং অধিক সুৰক্ষিত আৰু ভাল দেখা হয় ।

- কেৱল ভাল মানদণ্ডৰ ৱেক্স আৰু পলিশ্হে ব্যৱহাৰ কৰিব ।
- ৱেক্স আৰু পলিশ্ ব্যৱহাৰ কৰিলে প্ৰস্তুতকাৰকে নিৰ্দিষ্ট কৰা বিধিসমূহ পালন কৰিব ।


সাধাৰণ তথ্য

ভেহিকেল আইডেণ্টিফিকেচন বা বাহনৰ চিনাক্তকৰণ 10-1
ফাষ্ট টেগ বা FASTag (যদি আছে)..... 10-1
চি.এন.জি. (CNG) চি এন জি কিট নাম্বাৰ
আইডেণ্টিফিকেচন বা (যদি আছে) 10-2
হাই চিকিউৰিটী ৰেজিষ্ট্রেশ্যন প্লেট (এইচ এচ
আৰ পি/এইচ.এছ.আৰ.পি. (HSRP)) (যদি প্রযোজ্য)..... 10-3

ভেহিকেল আইডেণ্টিফিকেচন বা বাহনৰ চিনাক্তকৰণ

চেচিছ চিৰিয়েল নাম্বাৰ

উদাহৰণ




77PH059

বাহনখন পঞ্জীয়ন কৰিবলৈ চেছিছ আৰু/বা ইঞ্জিনৰ ক্ৰমিক নম্বৰ ব্যৱহাৰ কৰা হয়। বিশেষ কোনো সেৱাৰ তথ্য দিওতে বা সেই বিষয়ে উল্লেখ কৰাৰ সময়তো আপোনাৰ ডিলাৰক সহায় কৰিবলৈ ইয়াৰ ব্যৱহাৰ হয়। যেতিয়াই আপুনি আপোনাৰ মাৰুতি চুজুকি অনুমোদিত কমাৰ্চিয়েল ৱৰ্কশ্বপৰ (Maruti Suzuki authorised COMMERCIAL workshop) পৰামৰ্শ লোৱাৰ সুযোগ পায়, এই নম্বৰটোৰে আপোনাৰ বাহনখন চিনাক্ত কৰিবলৈ নাপাহৰিব। নম্বৰটো পঢ়িবলৈ অসুবিধা পালে আইডেণ্টিফিকেচন প্লেটতো নাম্বাৰটো বিচাৰি পাব।

ইঞ্জিনৰ ক্ৰমিক নম্বৰ

উদাহৰণ



54G082


ইঞ্জিনৰ ছিৰিয়েল নম্বৰটো চিলিণ্ডাৰ ব্লকত চিত্ৰত দেখুওৱাৰ দৰে ষ্টাম্প কৰা হয়।

ফাষ্ট টেগ বা FASTag (যদি আছে)

পথ পৰিবহণ আৰু ঘাইপথ মন্ত্রালয়ৰ মতে, ইলেক্ট্ৰনিক টোল সংগ্ৰহ অথবা ভাৰত চৰকাৰে নিৰ্ধাৰণ কৰা অন্যান্য উদ্দেশ্যৰ কাৰণে প্ৰতিখন বাহনৰ বাবে FASTag (1) বাধ্যতামূলক।

FASTag-ৰ যিকোনো ক্ষতি হ'লে বা সন্মুখৰ উইণ্ডস্ক্ৰীণ সলনি কৰিলে, অনুগ্ৰহ কৰি আপোনাৰ নিকটতম মাৰুতি চুজুকি অনুমোদিত ৱৰ্কশ্বপৰ (Maruti Suzuki authorised workshop) সৈতে যোগাযোগ কৰক।

উদাহৰণ



66MM01001

গাড়ীখনৰ ভিতৰৰ পৰা দেখা অনুসৰি

উদাহৰণ




64MM01002

টোকা:
দেখুওৱা ছবিখন ইংগিতধৰ্মী । গাড়ীখনত থকা প্ৰকৃত ডিভাইচৰ আভ্যন্তৰীণ গঠন বেলেগ হ'ব পাৰে।

গাড়ীখনৰ বাহিৰৰ পৰা দেখা অনুসৰি

উদাহৰণ




64MM01003

টোকা:
দেখুওৱা ছবিখন ইংগিতধৰ্মী । গাড়ীখনত থকা প্ৰকৃত ডিভাইচৰ আভ্যন্তৰীণ গঠন বেলেগ হ'ব পাৰে।

টোকা:
- *টেগটো ৰিওস্কীণৰ পৰা টানি আঁতৰাবলৈ চালে টেগটো ক্ষতিগ্ৰস্ত হ'ব পাৰে ।*
- *ৰিওস্কীণৰ টেগটো থকা ঠাইখনত কেমিকেল ক্লীনাৰ ব্যৱহাৰ কৰিলে টেগটো ক্ষতিগ্ৰস্ত হ'ব পাৰে ।*
- *কোনো চোকা বস্তুৰে টেগটো আঘাত কৰিলেও টেগটো ক্ষতিগ্ৰস্ত হ'ব পাৰে ।*

চি.এন.জি. (CNG) চি এন জি কিট নাম্বাৰ আইডেণ্টিফিকেচন বা (যদি আছে)

উদাহৰণ




77PM10002

চি.এন.জি. (CNG) চিলিণ্ডাৰ আইডেণ্টিফিকেচন নাম্বৰ আৰু চি.এন.জি. (CNG) কিট ইনষ্টলেচনৰ তাৰিখ ছবিত দেখুওৱাৰ দৰে কার্গোৰ সোঁ-ফালে দিয়া থাকে ।

হাই চিকিউৰিটী ৰেজিষ্ট্রেশ্যন প্লেট (এইচ এচ আৰ পি/এইচ.এছ.আৰ.পি. (HSRP)) (যদি প্ৰযোজ্য)

পথ পৰিবহণ আৰু ঘাইপথ মন্ত্ৰালয়ৰ মতে প্ৰতিখন নতুন বাহনত এইচ.এছ.আৰ.পি. (HSRP) থাকিব লাগিব।
HSRP হৈছে;
- ফ্ৰণ্ট আৰু ৰিয়েৰ এইচ.এছ.আৰ.পি. (HSRP), নম্বৰ প্লেট এৰিয়াত 2টাকৈ স্নেপ-লকৰ সহায়ত লগোৱা হয়।
- সন্মুখৰ ৰিওশ্বিল্ডত থাৰ্ড লাইচেন্স প্লেটখন লগোৱা হয় ।


থাৰ্ড লাইচেন্স প্লেট/তৃতীয়খন লাইচেন্স প্লেট



64MM01005

(1) থাৰ্ড লাইচেন্স প্লেট

থাৰ্ড লাইচেন্স প্লেট- বাহিৰৰ পৰা দেখা অনুযায়ী




72RM09002

(a) HSRP ইষ্যু কৰা কৰ্তৃপক্ষৰ নাম
(b) বাহনৰ পঞ্জীয়ন নাম্বাৰ
(c) ইউনিক লেজাৰ নাম্বাৰ- ফ্ৰণ্ট প্লেট
(d) ইউনিক লেজাৰ নাম্বাৰ- ৰিয়েৰ প্লেট
(e) প্ৰথম পঞ্জীয়নৰ তাৰিখ
(DD-MM-YYYY ফৰ্মেটত)
(f) গ্ৰীণ ষ্টাইপ (BS6 বাহন)

টোকা:
দেখুওৱা ছবিখন ইংগিতধৰ্মী । গাড়ীখনত থকা প্ৰকৃত ডিভাইচৰ আভ্যন্তৰীণ গঠন বেলেগ হ'ব পাৰে।

টোকা:
- *থাৰ্ড লাইচেন্স প্লেটৰ লেবেলটো ৰিওষ্কীণৰ পৰা টানি আঁতৰাবলৈ চালে ক্ষতিগ্ৰস্ত হ'ব পাৰে ।*
- *ৰিওষ্কীণৰ লেবেলটো থকা ঠাইখনত কেমিকেল ক্লীনাৰ ব্যৱহাৰ কৰিলে লেবেলটো ক্ষতিগ্ৰস্ত হ'ব পাৰে। কোনো চোকা বস্তুৰে লেবেলটোত আঘাত কৰিলেও লেবেলটো ক্ষতিগ্ৰস্ত হ'ব পাৰে।*
- *লেবেলত কোনো তীক্ষ্ণ বস্তু ব্যৱহাৰ কৰিলে লেবেলটো ক্ষতিগ্ৰস্ত হ'ব পাৰে।*
- *থাৰ্ড লাইচেন্স প্লেটৰ লেবেলটো সলাব খুজিলে, অনুমোদিত কৰ্তৃপক্ষৰ সৈতে যোগাযোগ কৰক।*

বাহিৰৰ পৰা দেখা অনুযায়ী থাৰ্ড লাইচেন্স প্লেটৰ লেবেল



64MM01009

টোকা:
দেখুওৱা ছবিখন ইংগিতধৰ্মী।

টোকা:
পথ পৰিবহণ আৰু ঘাইপথ মন্ত্ৰালয়ে নিৰ্ধাৰণ কৰা এইচ এছ আৰ পি নিয়ম অনুসৰি থাৰ্ড লাইচেন্স প্লেটৰ ৰং (পিছফালে)

স্পেচিফিকেচনছ (নির্দিষ্টকৰণ)

টোকা:
স্পেচিফিকেশনসমূহ বিনা জাননীত সলনি হ'ব পাৰে।

*"**বডী ফেব্রিকেশ্যনৰ বাবে নির্দেশনা**" চাই "**চেছিছ**" প্রকাৰৰ বাবে বিস্তৃত নির্দেশনা*

আইটেম: ডাইমেনছন	**ইউনিট: mm**	
বা সামগ্রিক দৈর্ঘ্য		3800
বা সামগ্রিক প্রস্থ		1562
বা সামগ্রিক উচ্চতা		1883
বা হুইলবেচ		2110
বা ট্রেক	বা ফ্রণ্ট	1345
	বা ৰিয়েৰ	1330

আইটেম:ভৰ (ওজন)	**ইউনিট: kg**	
কার্ব ভৰ (ওজন)	পেট্রল (Petrol)	870
	চি.এন.জি. (CNG)	990
গ্রছ ভেহিকল মাছ (ওজন) ৰেটিঙ		1620
পার্মিচিবল মেক্সিমাম এজেল ৰেইট তকৈ বেছি হয়।	বা ফ্রণ্ট	900
	বা ৰিয়েৰ	1020

আইটেম: ইঞ্জিন	বা পেট্রল আৰু চি এন জি
বা প্রকাৰ	K12N (DOHC)
চিলিণ্ডাৰৰ সংখ্যা	4
বা ব'ৰ	73.0 mm
বা ষ্ট্ৰ'ক	71.5 mm
স্থানচ্যুতি	1197 cm3 (1197 cc)
বা কম্প্রেচন ৰেচিঅ'	12.0: 1

আইটেম: ইলেক্ট্রিকেল	
বা স্পার্ক প্লাগ	NGK ILZKR6F11
বা বেটেৰী	38B20R 20HR 35Ah CCA 332A (JIS)
বা ফিউজ	“পৰিদর্শন আৰু ৰক্ষণাবেক্ষণ” অংশ চাওক

আইটেম: লাইট/ লাইট		ৱাটেজ	বাল্ব নং.
হেডলাইট		12V 60/55W	H4
পজিশ্যন লাইট		12V 5W	W5W
টার্ণ চিগনেল লাইট	বা ফ্রণ্ট	12V 21W	PY21W
	বা ৰিয়েৰ	12V 21W	P21W
বা ব্রেক বা টেইল লাইট		12V 21/5W	P21/5W
বা ৰিভার্চিং লাইট		12V 21W	P21W
বা লাইচেন্স প্লেট লাইট		12V 5W	W5W
বা ইন্টেৰিয়ৰ লাইট		12V 5W	C5W

বা হুইল আৰু টায়াৰ	
টায়াৰৰ আকাৰ, ফ্ৰণ্ট, ৰিয়েৰ আৰু স্পেয়াৰ অর্থাৎ অতিৰিক্ত টায়াৰ	155R13 LT 8PR 89/88S* / 155R13 LT 8PR 90/89Q*
ৰিম চাইজ	13X4J
টায়াৰ প্ৰেচাৰ	নির্দিষ্ট টায়াৰ প্ৰেছাৰৰ তথ্যৰ বাবে ড্ৰাইভাৰ ড'ৰল'ক পিলাৰত থকা টায়াৰ ইনফৰ্মেশ্যন লেবেলখন চাওক ।

* যদি আপুনি নির্দিষ্ট লোড ইনডেক্স ৰেট আৰু স্পীড চিম্বলৰ সৈতে এটা টায়াৰ সাজু কৰিব নোৱাৰে, তেন্তে অধিক লোড ইনডেক্স ৰেট আৰু স্পীড চিম্বলৰ এটা টায়াৰ সাজু কৰক ।

তলত তালিকাভুক্ত কৰা ক্ষমতাবোৰ আনুমানিক নির্দেশনা। সলনি কৰাৰ সময়ত প্রকৃত পৰিমাণ পৃথক হ'ব পাৰে।

আইটেম: বা নির্ধাৰিত তেল/ লুব্রিকেণ্টচ আৰু কেপাচিটি (আনুমানিক)				
ফুৱেল	পেট্রল (Petrol)		ইন্ধনৰ পৰামর্শ অংশ চাওক	30 L#
	চি.এন.জি. (CNG)	পেট্রল (Petrol)		5 L#
		চি.এন.জি. (CNG)		35 L × 2 টেংকি#
ইঞ্জিন অইল	পেট্রল (Petrol)		ক্লাছিফিকেশ্যন: API SN or SP ILSAC GF-6 ভিস্কচিটি SAE 0W-16	3.8 L (অইল ফিল্টাৰৰ বিকল্প)
	চি.এন.জি. (CNG)			4.2 L (অইল ফিল্টাৰৰ বিকল্প)
ইঞ্জিন কুলেণ্ট	পেট্রল (Petrol)		"SUZUKI LLC: Super (Blue) Coolant" *1 "SUZUKI LLC: Standard (Yellow) Coolant" *1	3.6 L (ৰিজার্ভাৰ টেংক সহ)
	চি.এন.জি. (CNG)			3.65 L (ৰিজার্ভাৰ টেংক সহ)
মেনুৱেল ট্রেন্সমিশ্যন অইল পেট্রল			মাৰুটী জেনুইন গীয়েৰ অইল 75W	1.4 L
ৰিয়েৰ ডিফাৰেনশ্যিয়েল অইল			"TOTALFINAELF TRANSELF LL 85W-140"	1.6 L
ব্রেক ফ্লুইড			মাৰুটী জেনুইন ব্রেক ফ্লুইড (MGBF) বা DOT 3	"পৰিদর্শন আৰু ৰক্ষণাবেক্ষণ" অংশত দিয়া নির্দেশনা অনুসৰি সঠিক মাত্রালৈকে তেল ভৰাব।

*1: আপোনাৰ বাহনৰ ওপৰত নির্ভৰ কৰি পৰামর্শিত শীতল পদার্থ বেলেগ বেলেগ হয়। "নিৰীক্ষণ আৰু ব্যৱস্থাপনা" অংশত চাওক।

: ফুৱেল টেংকৰ ক্ষমতা নির্দেশনাত দিয়া পৰিমাণতকৈ অলপ বেছি।নিৰাপত্তাজনিত আৰু বৈজ্ঞানিক কাৰণত অতিৰিক্ত ঠাইখিনি ৰখা হৈছে।

বডি ফেব্রিকেচনৰ বাবে নির্দেশনা (চেচিছ প্রকাৰ)

নিম্নোক্ত নির্দেশনাসমূহ আৰু পৰিসীমা পৰিস্থিতি মানি চলি কেব-চেছিছ বাহনত বডী ফেব্রিকেশ্যন কৰিব লাগে:

(a) **বডী এক্সটেৰিয়ৰ্ছ:** ল'ড বডী/এপ্লিকেশ্যন এনেদৰে ফেব্রিকেটেট কৰিব লাগে যাতে বাহনৰ বাহিৰ পৃষ্ঠৰ কোনো জোঙা দাতি বা ওলাই থকা অংশ থাকিব নালাগে যি মুখামুখি সংঘর্ষৰ ক্ষেত্রত কোনো ব্যক্তিৰ ব্যাপক শাৰিৰীক ক্ষতি সাধন বা সেই ভয়াবহতাৰ সৃষ্টি কৰে। এইটো এখন সম্পূর্ণকৈ নির্মাণ হোৱা গাড়ীৰ চলিত বা স্থিত দুয়োটা অৱস্থাৰ ক্ষেত্রতে প্রযোজ্য। এইটো নিশ্চিত কৰিব লাগে যাতে বাহিৰ পৃষ্ঠৰ কোনো জোঙা দাতি বা ওলাই থকা অংশত অন্ততঃ 2.5mm বা ততোধিক ব্যাসার্ধৰ বক্রতা থাকিব লাগে। বডীৰ ক্ষেত্রত CMVR নীতি 124(1)-11ৰ অধীনত থকা নিয়ম মানি চলিব লাগে।

বডীৰ লে-আউটৰ বাবে (টিপ্পাৰ এপ্লিকেছনৰ দৰে), য'ত বেটেৰিৰ মাউন্টিং ওলাই থাকে, CMVR নীতি 124(1)-11ত উল্লেখ কৰা অনুসৰি এক্সটেৰিয়ৰ প্রজেকশ্যনৰ দৰকাৰী প্রয়োজনসমূহ দূৰ কৰিবলৈ এখন ক'ভাৰ যোগান ধৰিব লাগে।

(b) **ৰিফ্লেক্টিভ টেপ:** বডী নির্মাণ কৰোঁতাই বাহনৰ পাছফালে বডীত বহলকৈ লাগি থকাকৈ এটা ৰঙা ৰঙৰ ৰিফ্লেক্টিভ টেপ (20mmতকৈ কম বহল) লগাব লাগে আৰু CMVR নীতিৰ 104ৰ অধীনত উল্লেখ কৰা দৰকাৰী প্রয়োজনসমূহ মানি চলিব লাগে।

(c) **হেড লেম্প:** বডী ফেব্রিকেশ্যনৰ পাছত, হেড লেম্পৰ প্রাৰম্ভিক ভাজ হেড লেম্পত চিহ্নিত কৰাৰ দৰে (CMVR নীতিৰ নং 104) মিলাব লাগে। বডী ফেব্রিকেটৰৰ দ্বাৰা গ্রাহকক GVW পৰিস্থিতিৰ বাবে হেড লেম্প লেবেলিং চুইচৰ অৱস্থান নির্দিষ্টকৈ দেখুৱাই দিব লাগে।


(d) **বডী বিল্ডাৰ প্লেট:** বডী বিল্ডাৰ প্লেটত CMVR নীতিৰ 122ৰ অধীনত উল্লেখ কৰা প্রয়োজন অনুসৰি প্রচুৰ ওজন, পে-ল'ড আৰু অনান্য বিৱৰণসমূহ নির্দিষ্টকৈ দেখুৱাই বডী বিল্ডাৰ লগাব লাগে।

(e) **ফর্ম 22A খণ্ড II:** CMVR নীতিৰ 47ৰ অধীনত উল্লেখ কৰা প্রয়োজন অনুসৰি বডী বিল্ডাৰে ফর্ম 22A খণ্ড II যোগান ধৰিব লাগে।

(f) বডী বিল্ডাৰে তলৰ ব্যাখ্যাচিত্রত দেখুওৱাৰ দৰে বডী ফেব্রিকেশ্যনৰ সময়ত বৈদ্যুতিক তাৰ, বৈদ্যুতিক সঁজুলি, ব্রেক কানেকশ্যন, ব্রেক পাইপিং, ইন্ধন কানেকশ্যন, একজষ্ট চিষ্টেম আৰু চেছিছ উপাদান সলনি কৰিব নালাগে।

(g) **আয়তন:** নির্মাতাই যোগান ধৰা কেব চেছিছ বাহনৰ ওপৰত তলৰ ব্যাখ্যাচিত্রত দেখুওৱাৰ দৰে এক সর্বনিম্ন আৰু সর্বাধিক এনভেল্পৰ ভিতৰত খাপ খোৱাকৈ ল'ড বডী /এপ্লিকেছন নির্মাণ কৰিব লাগিব।

উদাহৰণ




77PM12003

বডি ফেব্রিকেচনৰ বাবে নির্দেশনা

পেট্ৰ'ল মডেল টিপ্পাৰ (মুক্ত টিপ্পাৰ আৰু বন্ধ টিপ্পাৰ)


নির্মাতাই যোগান ধৰা কেব চেছিছ বাহনৰ ওপৰত তলৰ বাখ্যাচিত্ৰত দেখুওৱাৰ দৰে এক নির্দিষ্ট আয়তনৰ ভিতৰত খাপ খোৱাকৈ ল'ড বডী /এপ্লিকেছন নির্মাণ কৰিব লাগিব।

- মুক্ত টিপ্পাৰ:



77PM12006

• বন্ধ টিপ্পাৰ:



77PM12007

(h) **ওজন আৰু ইয়াৰ বিতৰণ:** সম্পূৰ্ণকৈ নির্মাণ কৰা বাহনৰ সর্বনিম্ন কার্ব ওজন 870kg (পেট্ৰ'ল), 990kg (চি.এন.জি. (CNG)) আৰু সম্পূৰ্ণকৈ নির্মাণ কৰা বাহনৰ সর্বাধিক কার্ব ওজন 1140kg (পেট্ৰ'ল), 1255kg (চি.এন.জি. (CNG)) হোৱাকৈ, সেই কথা মন দি ল'ড বডী /এপ্লিকেছন ফেব্রিকেট কৰিব লাগিব। সমুখৰ এক্সেল আৰু পাছফালৰ এক্সেলৰ কার্ব ওজনৰ গড় 1.45 (পেট্ৰ'ল), 1.25 (চি.এন.জি. (CNG))তকৈ বেছি হ'ব নালাগিব।


পেট্ৰ'ল মডেল টিপ্পাৰ এপ্লিকেছনৰ বাবে, ল'ড বডী /এপ্লিকেছন নিম্নোক্ত কার্ব ওজনৰ কথা মন দি ফেব্রিকেট কৰিব লাগিব।

মুক্ত টিপ্পাৰৰ কার্ব ওজন: 1070kg

বন্ধ টিপ্পাৰৰ কার্ব ওজন: 1140kg

সমুখৰ এক্সেল আৰু পাছফালৰ এক্সেলৰ কার্ব ওজনৰ গড় 1.45তকৈ বেছি হ'ব নালাগিব।

(i) **লাইটিং আৰু চিগেনিং ডিভাইচ:** বাহনত নির্মাণৰ সময়তে লগাই থোৱাকৈ হেড লাইট এচেম্বলিৰ সৈতে কেব চেছিছ আৰু পাছফালৰ কেবিনেট লেম্পৰ সৈতে এটা অস্থায়ী পেনেল আৰু ৰেজিষ্ট্রেছন প্লেট লেম্প যোগান ধৰা হয়। হেড লাইট এচেম্বলিৰ অৱস্থানৰ কোনো সালসলনি কৰা নহয়। তলৰ বাখ্যাচিত্রত দেখুওৱাৰ দৰে নির্দিষ্ট অৱস্থানত পাছফালৰ কেবিনেট লেম্প, ৰেজিষ্ট্রেছন প্লেট লেম্প আৰু পার্কিং চেঞ্চৰ (বাহনৰ সৈতে গ্লভ বক্সত যোগান ধৰা হয়) ল'ড বডী /এপ্লিকেছনত লগাব লাগিব।



77PM12008

“a” মান	
চেছিছ এপ্লিকেছন (পেট্ৰ'ল আৰু CNG)	612 mm
পেট্ৰ'ল মডেল মুক্ত টিপ্পাৰ এপ্লিকেছন	620 mm
পেট্ৰ'ল মডেল বন্ধ টিপ্পাৰ এপ্লিকেছন	660 mm

(j) **HMSL স্থাপন:** (সম্পূর্ণ ধাতুৰ শৰীৰপ্রয়োগৰ বাবে প্রযোজ্য)

- বডী ফেব্রিকেটৰে সর্বাধিক 25 ৱাট শক্তিসীমাৰ সৈতে আৰু চিএমভিআৰ নিয়ম 124(1)-20 অনুসৰণ কৰি হাই মাউণ্ট ষ্টপ লেম্প (HMSL) স্থাপন কৰাটো নিশ্চিত কৰিব।
- HMSL ৱায়াৰিং ব্যৱস্থা আৰু ই কাম কৰি আছে, পিছফালৰ সংমিশ্রণ লেম্প (RCL) সংযোজকবোৰক ইতিমধ্যে তলৰ চিত্র-1-ত দেখুওৱাৰ দৰে ধনাত্মক যোগানৰ প্রয়োজন। বডী ফেব্রিকেটৰে বৈদ্যুতিক ৱায়াৰিং হার্নেছত টেম্পাৰিং নকৰাকৈ ইয়াক ব্যৱহাৰ কৰিব লাগিব। গ্রাউণ্ডিং ফিক্স টার্মিনেলআৰচিএল গ্রাউণ্ড পইণ্টৰ সৈতে সঠিকভাৱে সংযোগ কৰা হ'ব।





Figure -1

(k) **হুইল গার্ড:** হইল গার্ডে CMVR নীতি নং 124(1)-13ৰ অধীনত সকলো প্রয়োজনীয়তা মানি চলিব লাগিব। তলৰ বাখ্যাচিত্রত দেখুওৱাৰ দৰে নির্দিষ্ট ডিজাইন পৰিসৰত হুইল গার্ড (পাছফালৰ) ফেব্রিকেট কৰিবই লাগিব।



77PM12106

c	≤ 2r
p	> 30 mm
q	> মুঠ টায়াৰ প্রস্থ
r	টায়াৰৰ ষ্টেটিক (স্থিৰ) ব্যাসার্ধ

(I) **চি.এন.জি. (CNG) প্রকাৰৰ বাবে এপ্লিকেছন:**

চি.এন.জি. (CNG) লেবেল:

নিম্নোক্ত নির্দেশনা অনুসৰি বডী বিল্ডাৰে পাছফালৰ ল'ড বডীত "চি.এন.জি. (CNG) লেবেল" (বাহনৰ টুল কিটৰ সৈতে যোগান ধৰা) লগাব লাগিব।

উদাহৰণ



77PM12011


(a) বাহন নম্বৰ প্লেটৰ ওচৰৰ সমতল পৃষ্ঠত ব্যৱহাৰযোগ্যভাবে উলম্ব অৱস্থানত (ওপৰত দেখুওৱাৰ দৰে) লেবেল লগাব লাগিব।

(b) পাছফালৰ পৰা স্পষ্টকৈ দেখাকৈ লেবেল লগাব লাগিব।

(c) লেবেল সকলো সময়তে নির্দিষ্ট অৱস্থানত, ভাল অৱস্থাত আৰু আকৃতিত থাকিব লাগিব আৰু ৰঙ আৰু আখৰ সহজে স্পষ্টকৈ ধৰিব পৰা হ'ব লাগিব।

চি.এন.জি. (CNG) কিট নম্বৰ চিনাক্তকৰণ:

উদাহৰণ



77PM07032

ল'ড বডী /এপ্লিকেছন এনেদৰে ফেব্রিকেট কৰিব লাগিব যাতে ই চি.এন.জি. (CNG) কম্প্লাইয়েন্স প্লেটৰ দৃশ্যমানতাত কোনো প্রভাৱ নেপেলায়।

অস্বীকাৰমূলক ঘোষণা:
চুপাৰ কেৰি চেছিছ প্রকাৰৰ বডী ফেব্রিকেছনৰ ক্ষেত্রত মালিক /বডী বিল্ডাৰে প্রযোজ্য CMVR প্রয়োজনীয়তা আৰু সময়ে সময়ে প্রযোজ্য ৰাজ্যিক মটৰ বাহন নিয়ম মানি চলিব লাগিব।
ল'ড বডী /এপ্লিকেছন ফেব্রিকেছন কৰাৰ ফলত সৃষ্টি হোৱা প্রযোজ্য নিয়ম মানি নচলাৰ বাবে, নির্মাতাৰ নির্দেশনাৱলী আৰু প্রচলিত নিয়ম ভংগ কৰাৰ ক্ষেত্রত, বাহনৰ নির্মাতা কোনো প্রকাৰে জগৰীয়া নহয়

⚠ সাৱধান
ডেক/বডি ফেব্রিকেশন নোহোৱাকৈ ছুপাৰ কেৰী বাহন নাৰাখিব

বেটাৰি লেবেল চিহ্নৰ অৰ্থবোৰ

	ধূমপান নিষেধ, অনাবৃত জুই নিষেধ, স্ফুলিঙ্গ নিষেধ			বেটাৰি এচিড
	চকু আৱৰিব			টোকা সঞ্চালন নির্দেশনাৱলী
	শিশুৰ পৰা আঁতৰাই ৰাখিব			বিস্ফোৰক গেছ

Prepared by

MARUTI SUZUKI INDIA LIMITED

Service Division
May, 2026

Part No. 99011M77UD0-74A
Printed in India

For round-the-clock on-road assistance, call Maruti On-road Service at 1800 102 1800# / 1800 1800 180#
#No STD code to be prefixed.

চৌবিশ ঘণ্টাই পথত সাহায্যৰ বাবে, মাৰুতী অন-ৰোড সেৱাত 1800 102 1800# / 1800 1800 180# ত কল কৰক।
কোনো ধৰণৰ এচটিডি কোডৰ লগোৱাৰ প্ৰয়োজন নাই।

Service Division

MARUTI SUZUKI INDIA LIMITED

Palam Gurgaon Road, Gurgaon - 122 015 (Haryana)

www.marutisuzuki.com

MARUTI SUZUKI GENUINE ACCESSORIES | MARUTI SUZUKI GENUINE PARTS | TRUE VALUE | MARUTI SUZUKI INSURANCE BROKING | PRAGATI Unnati ka Saathi | MARUTI SUZUKI ROAD SERVICE